**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
---------------------

১। তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত অহা বছৰৰ ফেব্ৰুৱাৰীত উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো বীজ বেংক মুকলি।
২। অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতিৰ নাম আজি ঘোষণা।
৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ আজি দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠান।
৩। অৰুণাচল প্ৰদেশৰ চাংলাং জিলাত মাটিত পুতি থোৱা বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ। **আৰু**
৫। মেলবৰ্ণত টেষ্টৰ আজি চতুৰ্থ দিনা দ্বিতীয় ইনিংছত অষ্ট্ৰেলিয়াৰ ভাৰতৰ বিৰুদ্ধে ৬ উইকেটৰ বিনিময়ত ৯৩ ৰান সংগ্ৰহ।

oooooo

উত্তৰ-পূৰ্বাঞ্চলৰ প্ৰথমটো বীজ বেংক তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত অহা বছৰৰ ফেব্ৰুৱাৰীত মুকলি কৰা হ'ব। কেন্দ্ৰীয় চৰকাৰৰ অৰ্থ সাহায্যত ৰাষ্ট্ৰীয় কৃষি বিকাশ যোজনাৰ অধীনত নিৰ্মাণ চলি থকা এইটো হ'ব দেশৰ তৃতীয়টো বীজ বেংক। অসম কৃষি বিশ্ববিদ্যালয়ৰ উপাচাৰ্যই যোৱা বছৰৰ ১ নৱেম্বৰত বীজ বেংকটোৰ আধাৰশিলা স্থাপন কৰিছিল। প্ৰায় আঢ়ৈ কোটি টকা ব্যয় সাপেক্ষ বীজ বেংকটোৰ ৯৫ শতাংশ কাম সম্পূৰ্ণ হৈ উঠিছে। এই প্ৰকল্প সম্পূৰ্ণ হৈ উঠিলে তিতাবৰৰ অসম ধান গৱেষণা প্ৰতিষ্ঠানত সংৰক্ষিত হৈ অহা ৭ হাজাৰৰো অধিক থলুৱা ধানৰ সঁচৰ লগতে উৎপাদিত বীজ ৫ বছৰ পৰ্যন্ত নষ্ট নোহোৱাকৈ সংৰক্ষণ কৰিব পৰা হ'ব।

oooooo

অসম সাহিত্য সভাৰ পৰৱৰ্তী সভাপতিৰ নাম আজি ঘোষণা কৰা হ'ব। সভাৰ সভাপতি, উপ-সভাপতি আৰু প্ৰধান সম্পাদক পদৰ বাবে ৪ ডিচেম্বৰৰ পৰা ভোটদান প্ৰক্ৰিয়া আৰম্ভ হৈছিল। আজি পুৱা ১০ বজাৰ পৰা এই বিষয়ববীয়া নিৰ্বাচনৰ ভোটগণনা কৰা হ'ব। পৰৱৰ্তী সভাপতি পদৰ বাবে ড০ গোবিন্দ প্ৰসাদ শৰ্মা, ড০ ভীমকান্ত বৰুৱা, ড০ উপেন ৰাভা হাকাছাম, ড০ বসন্ত কুমাৰ গোস্বামী আৰু অনুৰাধা শৰ্মা পূজাৰীৰ নাম নিৰ্বাচনী সমিতিয়ে পেনেলত প্ৰকাশ কৰিছিল। কিন্তু পাছত তাৰে তিনিগৰাকীয়ে পেনেলৰ পৰা নাম প্ৰত্যাহাৰ কৰাত ড০ উপেন ৰাভা হাকাছাম আৰু ড০ বসন্ত কুমাৰ গোস্বামীৰ মাজতে সভাপতি পদক লৈ প্ৰতিদ্বন্দ্বিতা হয়। সভাৰ ২০২৫-২৭ বৰ্ষৰ কাৰ্যকালৰ বাবে উপ-সভাপতি পদত তিনিগৰাকী আৰু প্ৰধান সম্পাদক পদত তিনিগৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছিল।

oooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি দিনৰ এঘাৰ বজাত মন কী বাত অনুষ্ঠানত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব আকাশবাণীযোগে প্ৰচাৰিত মন কী বাতৰ ১১৭ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ চেনেলৰ উপৰি airnews ৱেৰছাইট আৰু newsonair মোবাইল এপত

শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউব চেনেল যোগেও এই অনুষ্ঠানৰ লাইভ ষ্ট্ৰিমিং কৰা হ'ব। আকাশবাণী গুৱাহাটী কেন্দ্ৰই অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব। এই অনুষ্ঠান ৰাজ্যখনৰ আটাইবোৰ আকাশবাণী কেন্দ্ৰই ৰীলে কৰিব। নিশা ৮ বজাত এই অনুষ্ঠানৰ পুনৰ প্ৰচাৰ শ্ৰোতাসকলে শুনিবলৈ পাব।

০০০০০০

মঙলদৈৰ জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহ আৰু নাট্য মন্দিৰত অসম নাট্য সন্মিলনৰ দৰং জিলা সমিতিৰ উদ্যোগত কালিৰে পৰা দুদিনীয়া কাৰ্যসূচীৰে অসম নাট্য সন্মিলনৰ স্বৰ্ণপীঠ মণ্ডলৰ বাৰ্ষিক অধিৱেশন আৰু পূৰ্ণাংগ নাট প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। অধিৱেশনৰ কালিৰ কাৰ্যসূচী সন্দৰ্ভত আমাৰ মঙলদৈৰ সংবাদদাতা ময়ূখ গোস্বামীয়ে এইদৰে কয়–

*(ভইচ ঃ ময়ূখ গোস্বামী)*

সন্মিলনত স্বৰ্ণপীঠ মণ্ডলৰ অন্তৰ্ভুক্ত ৮ খন জিলাৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিছে। সন্মিলনত আজি দিনৰ চাৰে ১১ বজাৰ পৰা মুকলি সভা, স্মৃতি গ্ৰন্থ উন্মোচনী কাৰ্যসূচীৰ লগতে চিতাংকণ প্ৰতিযোতাও অনুষ্ঠিত হ'ব। মুকলি সভাত অসম নাট্য সন্মিলনৰ সভাপতি তথা প্ৰাক্তন সাংসদ কুমাৰ দীপক দাস, সাংস্কৃতিক মন্ত্ৰী বিমল বৰা, সাংসদ দিলীপ শইকীয়া আৰু নাট পৰিচালক অতনু ভূঞাকে ধৰি ভালেসংখ্যক বিশিষ্ট ব্যক্তি উপস্থিত থাকিব।

০০০০০০

গুৱাহাটী মহানগৰীৰ জ্যেষ্ঠ চকু চিকিৎসক ডা০ ছফিকউদ্দিন আহমেদৰ বাসভৱন তথা চিকিৎসা প্ৰতিষ্ঠানত আয়কৰ বিভাগে কালি অভিযান চলাই ৫০ লাখৰো অধিক নগদ টকা আৰু ভালেসংখ্যক নথি-পত্ৰ জব্দ কৰে। আয়কৰ বিভাগে গুৱাহাটী মহানগৰীৰ ৰুক্মিনীগাঁৱৰ জি এছ ৰোডত থকা ৰেটিনা চেণ্টাৰ নামৰ ডাঃ ছফিকউদ্দিন আহমেদ মালিকনাধীন চিকিৎসা প্ৰতিষ্ঠান আৰু তেওঁৰ বেলতলাত থকা বাসভৱনত কেইবাঘণ্টা ধৰি তালাচী চলাই আয় বৰ্হিভূত ধন সম্পত্তিৰ তথ্য লাভ কৰে। তাৰ পিছত বিভাগৰ সূত্ৰই জনোৱা মতে চিকিৎসকগৰাকীৰ বেংগালুৰু, কলকাতা আৰু সোণাপুৰত থকা সম্পত্তিৰ লগতে তেওঁ ক্ৰয় কৰা বিলাসী গাড়ীৰ সন্ধেদ লাভ কৰে। ৰেটিনা চেণ্টাৰ নামৰ চকু চিকিৎসা প্ৰতিষ্ঠানখনে অস্ত্ৰোপচাৰ আৰু আন ব্যয়বহুল চিকিৎসা পদ্ধতিৰ বাবদ কেৱল নগধ ধনেহে ৰোগীৰ পৰা লৈ আহিছিল আৰু এই তথ্য আয়কৰ বিভাগৰ পৰা লুকুৱাই ৰাখিছিল বুলি পোৱা অভিযোগৰ ভিত্তিত আয়কৰ বিভাগে ডা০ আহমেদৰ বাসভৱন তথা চিকিৎসা প্ৰতিষ্ঠানত তালাচী চলাই আয়কৰ আইনৰ সংশ্লিষ্ট ধাৰাৰ অধীনত গোচৰ ৰুজু কৰা হৈছে বুলি বিভাগীয় সূত্ৰই জনাইছে।

০০০০০০

অৰুণাচল প্ৰদেশৰ দক্ষিণত অৱস্থিত চাংলাং জিলাত কালি বুজন পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰা হয়। সেনা বাহিনীৰ স্পিয়াৰ ক'ৰ, আছাম ৰাইফলছ্ আৰু অৰুণাচল আৰক্ষীৰ যৌথ অভিযানত জিলাখনৰ মিয়াও-বিজয়নগৰ পথৰ কাষৰ এম এছ্-২৭ৰ সমীপৰ বনাঞ্চলত এই মাটিত পুতি থোৱা অস্ত্ৰ-শস্ত্ৰৰ ভাণ্ডাৰৰ সন্ধেদ লাভ কৰি দলটোৱে ব্যাপক অনুসন্ধান চলায়। এই অভিযানত বিভিন্ন স্থানৰ পৰা মুঠ ১০ এম কিউ ৮১, চীনত নিৰ্মিত এছাল্ট ৰাইফল উদ্ধাৰ কৰা হয়। এই অস্ত্ৰসমূহ বিগত বৰ্ষত আত্মসমৰ্পণৰ পূৰ্বে এন এন জিএ বনাঞ্চলত পুতি থৈছিল বুলি সেনা বাহিনীয়ে সন্দেহ কৰিছে। অভিযান চলোৱাৰ পূৰ্বে নামদফা ৰাষ্ট্ৰীয় উদ্যানত পক্ষী চাবলৈ অহা পৰ্যটকসকলক নিৰাপদ স্থানলৈ প্ৰেৰণ কৰা হয়।

০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি কেন্দ্ৰীয় শ্ৰম আৰু নিয়োগ, যুৱ পৰিক্ৰমা, ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়া আৰু গুজৰাটৰ মুখ্যমন্ত্ৰী ভূপেন্দ্ৰ ভাই পেটেলৰ সৈতে গুজৰাটৰ লোথালত ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্সৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ভ্ৰমণৰ সময়ছোৱাত সোণোৱালে অসামৰিক আন্তঃগাঁথনি উন্নয়নত অৰ্জন কৰা গুৰুত্বপূৰ্ণ সফলতাৰ বাবে সন্তুষ্টি প্ৰকাশ কৰে। তেওঁ লগতে কয়, যে ৰাষ্ট্ৰীয় সামুদ্ৰিক ঐতিহ্য কমপ্লেক্স সময়মতে আৰু সৰ্বোচ্চ মান অনুসৰি সম্পূৰ্ণ হোৱাটো নিশ্চিত কৰিবলৈ চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ।

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে ইংৰাজী ২০২৪ বৰ্ষৰ সমাপ্তি উপলক্ষে কেইটামান বিশেষ অনুষ্ঠান প্ৰচাৰৰ দিহা কৰিছে। ৩১ ডিচেম্বৰৰ নিশা ৮ বাজি ২ মিনিটত দেশ-বিদেশৰ ৰাজনীতি-সমাজনীতি, ক্ৰীড়া, সংস্কৃতি, সাহিত্য জগতৰ উল্লেখযোগ্য ঘটনাৱলীৰ বছৰজোৰা আলোকপাতৰ এটা বিশেষ অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। এই অনুষ্ঠানত আকাশবাণী গুৱাহাটীৰ ষ্টুডিঅ'ত সাংবাদিকৰ লগতে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগৰ সদস্যসকল উপস্থিত থাকি বছৰটোৰ উল্লেখযোগ্য ঘটনাৱলীৰ পৰ্যালোচনা আগবঢ়াব।

০০০০০০

মণিপুৰৰ পূব ইম্ফল আৰু কাংপক্‌পি জিলাৰ সীমান্তৱৰ্তী থামনাপক্‌পিত কুকি আৰু মেইটেই জনগোষ্ঠীয় বিদ্ৰোহীৰ মাজত হিংসাত্মক সংঘৰ্ষ অব্যাহত আছে। ঘটনাস্থলীত আৰক্ষী তথা নিৰাপত্তাবাহিনীৰ লোকক পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিয়োগ কৰা হৈছে। এই সংঘৰ্ষত সাংবাদিক, আৰক্ষীসহ বহুলোক আহত হোৱাৰ খবৰ পোৱা গৈছে। অঞ্চলটোত আতংকিত ৰাইজে গাঁও এৰি নিৰাপদ স্থানলৈ পলায়ন কৰিছে। ৰাজ্যখনৰ কেতবোৰ অঞ্চলত নতুনকৈ হিংসাত্মক ঘটনা আৰম্ভ হৈছে। পূব ইম্ফল জিলাত এদল সশস্ত্ৰ লোকৰ সৈতে হোৱা গুলীয়াগুলিত কেইবাজনো সাধাৰণ লোক আৰু সুৰক্ষাকৰ্মী আহত হয়। মণিপুৰ আৰক্ষীয়ে প্ৰকাশ কৰা অনুসৰি সকলো স্পৰ্শকাতৰ অঞ্চলত নিৰাপত্তা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে।

০০০০০০

নামেৰী ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই পৰ্যটকৰ বাবে উদ্যানৰ ভিতৰত নতুনকৈ নিৰ্মাণ কৰি উলিওৱা ট্ৰেকিং পথটো জানুৱাৰীত পৰ্যটকৰ বাবে মুকলি কৰি দিয়া হ'ব। বিদেশী পৰ্যটকৰ আগমনৰ ক্ষেত্ৰত কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে ৰাজ্যৰ পৰ্যটন মানচিত্ৰত নামেৰী ৰাষ্ট্ৰীয় উদ্যানে দ্বিতীয় স্থান দখল কৰিছে। ৰাজহ সংগ্ৰহৰ ক্ষেত্ৰতো ২০২২-২৩ চনৰ ১৪ লাখ আৰু ২০২৩-২৪ বিত্তীয় বৰ্ষত ২৭ লাখ টকাৰ বিপৰীতে চলিত বৰ্ষত ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষই ৰাজহ সংগ্ৰহৰ লক্ষ্য ৪২ লাখ টকা স্থিৰ কৰিছে। অসম-অৰুণাচল প্ৰদেশ সীমান্তত অৱস্থিত জৈৱ বৈচিত্ৰ্যৰে ভৰপূৰ ৰাষ্ট্ৰীয় উদ্যানখনত ৰাজ্যিক পক্ষী দেওহাঁহ, ধণেশ, বনৰীয়া হাতী, ৰাষ্ট্ৰীয় পশু ঢেকীয়াপতীয় বাঘ আদিৰ উপৰি ৰাষ্ট্ৰীয় উদ্যানখনত বিভিন্ন প্ৰজাতিৰ অৰ্কিড দেখিবলৈ পোৱা যায়।

০০০০০০

ডিব্ৰুগড় মানকটা চাহ বাগিচা খেলপথাৰত কালি দিনজোৰা কাৰ্যসূচীৰে অসম চাহ জনজাতি ছাত্ৰ সন্থা আটছাৰ ৭৭ সংখ্যক কেন্দ্ৰীয় প্ৰতিষ্ঠা দিৱস অনুষ্ঠিত হয়। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ দি জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই মুখ্যমন্ত্ৰী হিচাপে ড০ হিমন্ত বিশ্ব শৰ্মাই চাহ জনগোষ্ঠীৰ সৰ্বাংগীন উন্নয়নৰ বাবে যিমান কৰিছে, স্বাধীনতাৰ পাছত ৰাজ্যৰ কোনো এগৰাকী মুখ্যমন্ত্ৰীয়ে কৰিব পৰা নাই বুলি প্ৰকাশ কৰে। তেওঁ কয়,

যে চাহ্ উদ্যোগ ৰাজ্যৰ সবাতোকৈ ডাঙৰ উদ্যোগ, ইয়াক লৈ অসমীয়া সমাজ গৌৰৱান্বিত বুলি মন্তব্য কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে চাহ্ জনগোষ্ঠীৰ লোকসকলে ২০০ বছৰীয়া উদ্যোগটোক ধৰি ৰাখিছে। তেওঁ লগতে কয়, যে চাহ বাগিচাখন বা চাহ উদ্যোগটোক জীয়াই ৰাখিবলৈ অসম চাহ জনজাতি ছাত্ৰ সন্থাই অহোপুৰুষাৰ্থ কৰিছে। চাহ জনজাতি ছাত্ৰ সন্থাই ৰাজনৈতিক ক্ষেত্ৰখনক বৃহৎ মঞ্চ প্ৰদান কৰে বুলিও তেওঁ উল্লেখ কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ দিনতে এতিয়ালৈক চিকিৎসা, শিক্ষাৰ বাবে ৩২ খন আসন চাহ্ জনগোষ্ঠীৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে চাহ্ উদ্যোগটোক জীয়াই ৰাখিবলৈ হ'লে চাহ্ জনগোষ্ঠীৰ লোকসকল সুস্থ-সৱল হ'ব লাগিব বুলি মন্তব্য কৰে।

অসম চাহ্ জনজাতি ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত অসম চাহ্ জনজাতি মহিলা সমিতি, আটছা ডিব্ৰুগড় জিলা সমিতি আৰু ডিব্ৰুগড় শাখা সমিতিৰ সহযোগত অনুষ্ঠিত প্ৰতিষ্ঠা দিৱসত পশুপালন মন্ত্ৰী অতুল বৰা উপস্থিত থাকি চাহ্ জনগোষ্ঠীসকল অসমীয়া জাতিৰ অবিচ্ছেদ্য অংগ বুলি কয়। সভাত উদ্যোগ মন্ত্ৰী বিমল বৰাৰ লগতে আন আন বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে।

oooooo

ৰাষ্ট্ৰপতি-প্ৰধানমন্ত্ৰী-ভূটানৰ ৰজা-মৰিছাচৰ বিদেশ মন্ত্ৰী আৰু গান্ধী পৰিয়ালৰ হাজাৰ হাজাৰ গুণমুগ্ধৰ উপস্থিতিত প্ৰাক্তন প্ৰধানমন্ত্ৰী ড০ মনমোহন সিঙৰ শেষকৃত্য সম্পন্ন কৰাৰ বাতৰিটো আজি গুৱাহাটীৰ পৰা প্ৰকাশিত আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

২০২৫ৰ ভিতৰত জলজীৱন মিছন সম্পূৰ্ণ কৰিবলৈ কেন্দ্ৰই নিৰ্দেশ দিয়াৰ বাতৰিটো **দৈনিক অসম** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। যোৱা বুধবাৰে কাজাখাস্তানত ভূপতিত হোৱা বিমানখন প্ৰকৃততে ৰুছ বায়ু সেনাই ক্ষেপনাস্ত্ৰ জাতীয় অস্ত্ৰৰে ধংস কৰা বুলি উত্থাপিত অভিযোগ সত্য প্ৰমাণিত হোৱাৰ পাছত ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে ক্ষমা বিচৰা বাতৰিটো **দি আছাম ট্ৰিবিউন** কাকতে Putin apologises for tragic incident শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাতৰিটো **দৈনিক অগ্ৰদূত** কাকতেও গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

ৰাজ্যত এবছৰতে ছাইবাৰ অপৰাধৰ ঘটনা ৯০ শতাংশ বৃদ্ধি হোৱাৰ বাতৰিটো **দৈনিক জনমভূমি** কাকতে **ডিজিটেল এৰেষ্ট ঃ অপৰাধীৰ হটস্পট গুৱাহাটী** শিৰোনামেৰে প্ৰথম পৃষ্ঠাৰ মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰৰ ওপৰত চীনে সৰ্ববৃহৎ নদীবান্ধ নিৰ্মাণৰ প্ৰস্তুতি চলোৱাৰ সময়তে মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰৰ ভূগৰ্ভৰ পানীত বিষাক্ত ৰাসয়নিক পদাৰ্থ মিহলি হৈ পৰাৰ বাতৰি **অসমীয়া প্ৰতিদিন** কাকতে গুৰুত্ব সহকাৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

যোৱা ২০ ডিচেম্বৰ পৰ্যন্ত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ বিদেশী মুদ্ৰা ভাণ্ডাৰ ৮৪৭ কোটি ডলাৰ হ্ৰাস পোৱাৰ বাতৰিটো **নিয়মীয়া বাৰ্তা** কাকতে **ডলাৰৰ নিৰিখত টকাৰ হোৱাহোৰে পতনত খহিছে বিদেশী মুদ্ৰা ভাণ্ডাৰ ঃ এসপ্তাহতে হ্ৰাস আৰ বি আইৰ ৮৪৭ কোটি ডলাৰ**।

উত্তৰ-পূব পৰিষদৰ কৃষিভূমি সম্পৰ্কীয় এখন প্ৰতিবেদনৰ উদ্ধৃতিৰে ৰাজ্যত অভাৱনীয় ভাবে কৃষিভূমি হ্ৰাস পোৱা বুলি **অসমীয়া খবৰ** কাকতে এটা বাতৰি প্ৰকাশ কৰিছে।

সংঘৰ্ষ জৰ্জৰিত মণিপুৰত পুনৰ উত্তপ্ত পৰিস্থিতি সৃষ্টি হোৱাৰ বাতৰিটো **আমাৰ অসম** কাকতে পুনৰ ভয়াৱহ হিংসা মণিপুৰত, সাংবাদিক-সুৰক্ষাকৰ্মী আহত এই শিৰোনামেৰে প্ৰথম পৃষ্ঠাত স্থান দিছে।

২০১৯ চনৰ পৰা  বায়'মেট্ৰিক বন্ধ হৈ থকাৰ বাবে আধাৰকাৰ্ড জাৰি নকৰা প্ৰায় ৯ লাখ লোকৰ ৮০ শতাংশই সম্প্ৰতি আধাৰ কাৰ্ড লাভ কৰাৰ বাতৰি **দ্যা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে।

**শেষ ঃ** এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

ভাৰত আৰু অষ্ট্ৰেলিয়াৰ মাজৰ মেলবৰ্ণত অনুষ্ঠিত ব'ৰ্ডাৰ গাভাস্কাৰ ট্ৰফী ক্ৰিকেট শৃংখলাৰ চতুৰ্থখন টেষ্ট আকৰ্ষণীয় পৰ্যায়ত উপনীত হৈছে। খেলখনৰ আজি চতুৰ্থ দিনা অষ্ট্ৰেলিয়াই আমালৈ বাতৰি অহা পৰালৈকে ৬ টা উইকেট হেৰুৱাই দ্বিতীয় ইনিংছত ৯৩ ৰান সংগ্ৰহ কৰিছে।

ইয়াৰ পূৰ্বে ভাৰতে ৯ উইকেটৰ বিনিময়ত কালি সংগ্ৰহ কৰা ৩৫৮ ৰানৰ পৰা প্ৰথম ইনিংছৰ খেল আৰম্ভ কৰি ৩৬৯ ৰানত ইনিংছ সামৰে। ভাৰতৰ হৈ নীতিশ কুমাৰ ৰেড্ডীয়ে ১১৪ ৰান সংগ্ৰহ কৰে। অষ্ট্ৰেলিয়াৰ হৈ পেট কামিন্স, স্কট ব'লেণ্ড আৰু নাথন লীয়নে তিনিটাকৈ উইকেট দখল কৰে। অষ্ট্ৰেলিয়া সম্প্ৰতি ভাৰতৰ প্ৰথম ইনিংছতকৈ সামগ্ৰিকভাৱে ১৯৯ ৰানত আগবাঢ়ি আছে। শৃংখলাত বৰ্তমানলৈকে দুয়োটা দলে একোখনকৈ খেলত জয়লাভ কৰিছে।

০০০০০০

অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট সাহিত্যিক কুলধৰ শইকীয়াই অসমীয়া লিপিক মান্যতা দি ইউনিকোডত স্বতন্ত্ৰ স্থান প্ৰদানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ অনুৰোধ জনাই মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মালৈ এখন পত্ৰ প্ৰেৰণ কৰিছে। তেওঁ লগতে ধ্ৰুপদী ভাষাৰ স্বীকৃতিৰ লাভৰ পাছত পাবলগীয়া সকলো সুবিধা আদায় কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰক অনুৰোধ জনাবলৈ কৈছে। পত্ৰখনত লগতে ৰাজ্যিক ভাষা আইনৰ ব্যৱহাৰ নিশ্চিত কৰাৰ বাবেও আহ্বান জনোৱা হৈছে।

০০০০০০

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে আগজাননী দিয়া অনুসৰি অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাত আজি বতৰ ঘাইকৈ শুকান হৈ থাকিব যদিও অৰুণাচল প্ৰদেশৰ কেতবোৰ স্থানত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। ৰাজ্যকেইখনৰ বিভিন্ন স্থানত পাতলীয়াৰ পৰা ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে বুলি বিভাগে প্ৰকাশ কৰিছে। আনহাতে বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত অসমকে ধৰি উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যক কুঁৱলীয়ে আৱৰি থাকিব। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১২ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১১ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

সমাপ্ত